**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-MAY-2026 **Time :** 1205 HRS

***Assamese 1205 PM Bulletin***

——————————————

১। কৰ্মদক্ষতা বৃদ্ধি আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত গৱেষণামূলক মানসিকতা গঢ়ি তোলাৰ উদ্দেশ্যে স্নাতক পৰ্যায়ত ইণ্টাৰ্ণশ্বিপ বাধ্যতামূলক কৰাৰ সিদ্ধান্ত ইউ জি চিৰ।

২। ৰাজ্যৰ উন্নয়ন, জনকল্যাণ আৰু আন্তঃৰাজ্যিক সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ একাধিক বৈঠক।

৩। কোকৰাঝাৰৰ মহামায়া বনাঞ্চলত মূল্যবান শাল গছ কটা ঘটনা সংক্ৰান্তত আৰু তিনিজন অবৈধ কাঠ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগ ইউ জি চিয়ে শিক্ষাৰ্থীসকলক অধ্যয়ন কালতে ব্যৱহাৰিকভাৱে দক্ষ কৰি তোলাৰ লক্ষ্যৰে অভিলাষী পদক্ষেপ লৈছে। সেই অনুসৰি আয়োগে কৰ্মদক্ষতা বৃদ্ধি আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত গৱেষণামূলক মানসিকতা গঢ়ি তোলাৰ উদ্দেশ্যে স্নাতক পৰ্যায়ত ইণ্টাৰ্ণশ্বিপ বাধ্যতামূলক কৰিছে। ইউ জি চিয়ে প্ৰকাশ কৰা অনুসৰি অধ্যয়নৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যাতে চাকৰিমুখী ব্যৱহাৰিক দক্ষতা গঢ় লৈ উঠে তাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আয়োগে ভৱিষ্যতে উচ্চ শিক্ষাৰ বাবে গৱেষণাত ব্ৰতী হ'বলৈ বিচৰা ছাত্ৰ-ছাত্ৰীসকলে ৰিচাৰ্ছ টুলছ-ডাটা এনালাইছিছ - লেবৰেটৰী প্ৰকল্পৰ বাস্তৱ অভিজ্ঞতা দিয়াৰো ব্যৱস্থা কৰিছে। ইউ জি চিয়ে এই সন্দৰ্ভত ইতিমধ্যে গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি আয়োগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ কলা-বিজ্ঞান-বাণিজ্যসহ সকলো শাখাৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ বিদ্যাৰ্থীসকলৰ বাবে এই ইণ্টাৰ্ণশ্বিপ বাধ্যতামূলক হ'ব। ইয়াৰ উপৰি তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবেও ইণ্টাৰ্ণশ্বিপৰ বাবে আবেদন দাখিলৰ পথ প্ৰশস্ত ৰখা হৈছে। ইউ জি চি অনাৰ্ছ তথা ইউ জি চি অনাৰ্ছ উইথ ৰিচাৰ্ছ পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলে যিকোনো বেচৰকাৰী বা চৰকাৰী সংস্থাত ইণ্টাৰ্ণশ্বিপ কৰিব লাগিব। সকলো শিক্ষাৰ্থীয়ে চতুৰ্থ যান্মাসিক অৰ্থাৎ দ্বিতীয় বৰ্ষ সমাপন কৰাৰ পাছত প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগিব। এই প্ৰশিক্ষণ ৬০ পৰা ১২০ ঘণ্টাৰ হ'ব। অৱশ্যে চাৰি বছৰীয়া অনাৰ্ছ উইথ ৰিচাৰ্ছ পাঠ্যক্ৰমত অধ্যয়নৰত শিক্ষাৰ্থীসকলক অষ্টম যান্মাসিকত ৩৬০ ঘণ্টা অৰ্থাৎ সম্পূৰ্ণ ছমাহেই ৰিচাৰ্ছ প্ৰজেক্ট অথবা থেছিছ জমা দিয়াটো বাধ্যতামূলক কৰা হৈছে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ৰাজ্যৰ উন্নয়ন, জনকল্যাণ আৰু আন্তঃৰাজ্যিক সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে কালি একাধিক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে স্বাস্থ্য বিভাগৰ সৈতে হোৱা বৈঠকত ২০২৯ চনৰ ভিতৰত শিশুৰ মৃত্যুৰ হাৰ ৰাষ্ট্ৰীয় গড়তকৈ কম কৰা, চিকিৎসালয়সমূহত পৰ্যাপ্ত স্বাস্থ্যকৰ্মী, চাহ বাগিছাৰ চিকিৎসালয়সমূহৰ উন্নয়ন, বিনামূলীয়া ৰোগ চিনাক্তকৰণ কাৰ্যসূচী, বৃহৎ স্বাস্থ্য শিবিৰ আৰু স্বাস্থ্য বিষয়ক অন্য

গুৰুত্বপূৰ্ণ পদক্ষেপৰ অগ্ৰগতি সম্পৰ্কে বিস্তৃতভাৱে পৰ্যালোচনা কৰে। একেদৰে ড০ শৰ্মাই ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ তথা আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড আৰু ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহন ব্যৱস্থাপনা লিমিটেডৰ বিষয়ববীয়াৰ সৈতে অনুষ্ঠিত বৈঠকত গহপুৰ-নুমলীগড় সুৰংগ, গুৱাহাটী-শিলচৰ এক্সপ্ৰেছৱে, কাজিৰঙা এলিভেটেড কৰিড'ৰ, কামাখ্যা-ৰুজ্জুপথৰ দৰে আন্তঃগাঁথনি প্ৰকল্পসমূহৰ অগ্ৰগতিৰ মূল্যায়ন কৰে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰূপায়ণ হৈ থকা প্ৰকল্পসমূহৰ কাম ত্বৰান্বিত কৰি সময়মতে সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই আন্তঃৰাজ্যিক সীমা সমস্যাৰ স্থায়ী সমাধানৰ দিশে শীঘ্ৰে অগ্ৰসৰ হ'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম-মেঘালয়ৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ লক্ষ্যৰে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত এটা প্ৰতিনিধি দলে কালি দিছপুৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ শৰ্মাই কয়, যে এই আলোচনাকালত তেওঁলোকে অসম-মেঘালয় সীমান্তৰ বিষয়ৰ উপৰি বিভিন্ন আন্তঃৰাজ্যিক প্ৰসংগত মত বিনিময় কৰে। তেওঁলোকে লগতে **এক ভাৰত-শ্ৰেষ্ঠ ভাৰত**ৰ দৰ্শনেৰে অসম আৰু মেঘালয়ে বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ লগতে অষ্টলক্ষ্মী অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰিব পৰা নতুন সম্ভাৱনাসমূহৰ অন্বেষণ সন্দৰ্ভতো আলোচনা কৰে।

০০০০০০

ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। লোকপিয়লৰ পৰিপ্ৰেক্ষিতত এই গণনাকাৰী বিষয়াসকলৰ অহা ৩১ মাৰ্চ পৰ্যন্ত বদলিত বাধা নিষেধ আৰোপ কৰা হৈছে। এই সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ জৰুৰী পত্ৰ লাভৰ পাছতে কৰ্মচাৰী বিভাগে সাধাৰণ প্ৰশাসন বিভাগৰ সচিব আৰু সকলো জিলা আয়ুক্তলৈ নিৰ্দেশ প্ৰেৰণ কৰিছে।

উল্লেখযোগ্য যে ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব।

দেশৰ ষোড়শ আৰু স্বৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত  সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছৰ মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০

ভগৱান বুদ্ধৰ দুগৰাকী প্ৰধান শিষ্য অৰহন্ত চাৰিপুত্ৰ আৰু অৰহন্ত মোডগাল্যায়ানৰ পবিত্ৰ অৱশেষ প্ৰদৰ্শনীৰ বাবে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দল আজি মংগোলীয়া অভিমুখে ৰাওনা হৈছে। ভাৰত আৰু মংগোলীয়াৰ মাজৰ শতিকাজোৰা সভ্যতাগত সম্পৰ্ক সুদৃঢ় কৰাৰ লক্ষ্যৰে

সংস্কৃতি মন্ত্ৰালয়ৰ অধীনত এই প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। মধ্যপ্ৰদেশৰ ছাঁচী বিহাৰ চৈত্যত এই পবিত্ৰ অৱশেষ সংৰক্ষণ কৰি ৰখা হৈছে আৰু মংগোলীয়াত এই অৱশেষ প্ৰদৰ্শনীৰ বাবে অহা ৯ জুনলৈ ৰখা হ'ব। এই প্ৰদৰ্শনকালত দেশখনৰ বহু ভক্ত, বৌদ্ধ ভিক্ষু তথা পণ্ডিতসকলে পবিত্ৰ অৱশেষৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিব।

বাইট

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

বন বিভাগে কোকৰাঝাৰ জিলাৰ পৰ্বতঝৰা মহকুমাৰ অধীনৰ মহামায়া বনাঞ্চলত ব্যাপক হাৰত মূল্যবান শাল গছ কটা ঘটনাৰ তদন্ত তীব্ৰতৰ কৰি তুলিছে। বন বিভাগে এই ঘটনা সংক্ৰান্তত আৰু তিনিজন অবৈধ কাঠ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা লোক তিনিজনক বাহাৰ আলী, ৰাবিয়াল আলী আৰু পাছান আলী বুলি চিনাক্ত কৰা হৈছে। এই লোক তিনিজন কাঠৰ অবৈধ কুণ্ডা কটা আৰু অন্য আপত্তিজনক কাম-কাজৰ সৈতে জড়িত থকা বুলি অভিযোগ উত্থাপিত হৈছিল। মহামায়া বনাঞ্চলত অবৈধভাৱে মূল্যবান শাল গছ কটাৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত বৃহস্পতিবাৰে নিশা জলবিলা গাঁও পৰিষদ উন্নয়ন কমিটীৰ অধ্যক্ষ আবুল শ্বেখ আৰু বি পি এফৰ এজন জ্যেষ্ঠ নেতাক জিম্মাত লোৱাৰ পাছত এই লোক তিনিজনক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০

নগাঁও জিলাৰ কামপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত কচুৱাত বনৰীয়া হাতীৰ আক্ৰমণত কালি এগৰাকী মহিলাসহ দুজন লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাজনো আহত হয়। হাতীৰ গচকত মৃত্যু হোৱা লোক দুজন শ্বাহাজউদ্দিন আৰু হনুফা খাতুন বুলি চিনাক্ত কৰা হৈছে। অঞ্চলটোত কালি ওৰে নিশা খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা বনৰীয়া হাতীৰ জাকে উপদ্ৰৱ চলাই বুলি স্থানীয় লোকে জনাইছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰাণত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০

**সমাপ্ত**